**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 03-May-2026
**Time :** 1800 HRS

***Assamese Evening Bulletin***

———————————————————

## HEADLINES

**::::::::::::::::::::**

১। বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ বাবে সকলো যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ। ৩৫ খন জিলাৰ ৪০টা কেন্দ্ৰত ১২৬টা বিধানসভা সমষ্টিৰ বাবে ভোটগণনা।

২। ভোটগণনা নিয়াৰিকৈ আৰু শান্তিপূৰ্ণভাৱে পৰিচালনাৰ বাবে কটকটীয়া নিৰাপত্তা ব্যৱস্থা।

৩। বিশ্ব সংবাদ মাধ্যম স্বাধীনতা দিৱস উপলক্ষে অসমতো বিভিন্ন কাৰ্যসূচীৰ আয়োজন।

**আৰু**

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদৰ, কলকাতা নাইট ৰাইডাৰ্ছক জয়ৰ বাবে ১৬৬ ৰানৰ লক্ষ্য নিৰ্ধাৰণ।

ooooo

বিধানসভা নিৰ্বাচনৰ কাইলৈ ভোটগণনাৰ বাবে সকলো যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈছে। কাইলৈ পুৱা ৮ বজাত ডাক বেলট গণনাৰে ভোটগণনা আৰম্ভ হ'ব। ৰাজ্যৰ ৩৫ খন জিলাৰ মুঠ ৪০টা কেন্দ্ৰত ১২৬টা বিধানসভা সমষ্টিৰ বাবে ভোটগণনা কৰা হ'ব। কাইলৈ ৫৯ গৰাকী মহিলাকে ধৰি ৭২২ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় হ'ব। গুৰুত্বপূৰ্ণ প্ৰাৰ্থীকেইগৰাকী ভিতৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, অসম প্ৰদেশৰ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈ, বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, বিৰোধীপক্ষৰ নেতা দেৱব্ৰত শইকীয়া, এ আই ইউ ডি এফৰ মুৰব্বী বদৰুদ্দিন আজমল, ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈ আৰু অসম জাতীয় পৰিষদৰ সভাপতি লুৰিনজ্যোতি গগৈ অন্যতম।

ভোটগণনা নিয়াৰিকৈ আৰু শান্তিপূৰ্ণভাৱে পৰিচালনাৰ বাবে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। তদুপৰি, ষ্ট্ৰং ৰূমসমূহৰ নিৰাপত্তা ব্যৱস্থাতো চোকা দৃষ্টি ৰখা হৈছে। ভোটগণনা প্ৰক্ৰিয়া নিৰীক্ষণৰ বাবে ১২৬ জন ভোটগণনা পৰ্যবেক্ষক নিয়োগ কৰা হৈছে আৰু এই প্ৰক্ৰিয়াত ৫ হাজাৰ ৯৮১ গৰাকী ভোটগণনা বিষয়া আৰু দুহেজাৰ ৩৪৭ গৰাকী মাইক্ৰ' অবজাৰ্ভাৰে সহযোগিতা আগবঢ়াব। প্ৰতিটো সমষ্টিৰ ভোটদানৰ হাৰৰ ওপৰত ভিত্তি কৰি ১৫ৰ পৰা ২৮টা ৰাউণ্ডত ভোট গণনা কৰা হ'ব।

ooooo

বিধানসভা নিৰ্বাচনৰ ভোট গণনাৰ বাবে জিলা প্ৰশাসনসমূহেও প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। **কামৰূপ মহানগৰ** জিলাৰ পাঁচটা সমষ্টিৰ বাবে মণিৰাম দেৱান ট্ৰেড চেণ্টাৰত কাইলৈ পুৱাৰ পৰা ভোটগণনা আৰম্ভ হ'ব। ইতিমধ্যে আৰক্ষী আৰু প্ৰশাসনে ভোটগণনা কেন্দ্ৰৰ চাৰিওফালে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছে। জিলাখনৰ ভোটগণনা কাৰ্য শৃংখলাবদ্ধ আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাৰ বাবে জিলা দণ্ডাধীশে কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। উল্লেখযোগ্য যে, কামৰূপ মহানগৰ জিলাত পাঁচটা সমষ্টিৰ বাবে এইবাৰ বিভিন্ন ৰাজনৈতিক দল আৰু নিৰ্দলীয়কে ধৰি ২৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

**কাছাৰ** জিলাৰ সাতটা বিধানসভা সমষ্টিৰ ৪৯ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য কাইলৈ নিৰ্ণয় হ'ব। শিলচৰৰ আই এছ্ টি টিত পুৱা ৮ বজাত ভোটগণনা আৰম্ভ হ'ব। প্ৰতিটো সমষ্টিৰ বাবে ১৪ খন গণনা টেবুল সাজু কৰা হৈছে।

**দক্ষিণ শালমৰা মানকাচৰ** জিলা প্ৰশাসন কাইলৈ ভোট গণনাৰ  বাবে সাজু হৈছে। বাংলাদেশ সীমান্তৱৰ্তী জিলাখনৰ ভোটগণনা কেন্দ্ৰসমূহত আৰক্ষী প্ৰশাসনে কঠোৰ নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছে। তিনি তৰপীয়া নিৰাপত্তাৰ মাজত শান্তিপূৰ্ণভাৱে ভোটগণনা কৰিবলৈ জিলা প্ৰশাসনে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে।

**বাক্সা** জিলাৰ সদৰ মুছলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ভোটগণনাৰ বাবে প্ৰশাসনে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। জিলাখনৰ দুটা বিধানসভা সমষ্টিৰ ভোটগণনাৰ বাবে ২৮ খন টেবুল স্থাপন কৰা হৈছে।

**পশ্চিম কাৰ্বি আংলঙৰ** হামৰেনস্থিত জিলা আয়ুক্ত কাৰ্যালয় প্ৰাংগনত ৰংখাং আৰু আমৰি বিধানসভা সমষ্টিৰ বাবে ভোটগণনা কৰা হ'ব।

**যোৰহাট** জিলাৰ ভোটগণনাৰ বাবে প্ৰশাসনে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে। জিলাখনত চাৰিটা বিধানসভা সমষ্টিৰ বাবে যোৰহাট চৰকাৰী বালিকা উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয় আৰু চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালক বিদ্যালয়ত গণনা কেন্দ্ৰ স্থাপন কৰা হৈছে। জিলাখনত ভোটগণনা প্ৰক্ৰিয়া স্বচ্ছ, নিকাভাৱে পৰিচালনা কৰাৰ লক্ষ্যৰে আজি যোৰহাটৰ প্ৰিন্স অব ৱেলছ অভিযান্ত্ৰিক প্ৰতিষ্ঠানত ভোটগণনাৰ বাবে নিয়োজিত মাইক্ৰ' অবজাৰভাৰসকলৰ এটা প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়।

**শিৱসাগৰ** জিলাতো ভোটগণনাৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। **মৰিগাঁও** জিলাত জিলা নিৰ্বাচন শাখাই ভোটগণনাৰ প্ৰতি লক্ষ্য ৰাখি জিলাখনৰ তিনিটা সমষ্টিৰ ভোটগণনাৰ সৈতে জড়িত তথ্য সংগ্ৰহ, অভিযোগ, ওজৰ-আপত্তি দাখিল আৰু বিভিন্ন সমস্যা সমাধানৰ বাবে নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰিছে।

**দৰং** জিলাৰ তিনিটা বিধানসভা সমষ্টি ছিপাঝাৰ, মঙলদৈ আৰু দলগাঁৱৰ বাবে মঙলদৈ মহাবিদ্যালয়ত ভোটগণনা কৰা হ'ব।

**তামুলপুৰ** জিলাত ভোটগণনাৰ প্ৰস্তুতিৰ বিষয়ে জিলা আয়ুক্ত চিমি কৰনে আমাৰ সংবাদদাতাৰ আগত এইদৰে কয়-

*(বাইট)*

বিধানসভা নিৰ্বাচনৰ ভোটগণনা আৰু ফলাফল ঘোষণাৰ প্ৰতি লক্ষ্য ৰাখি আগতীয়া সতৰ্কতামূলক ব্যৱস্থা হিচাপে ঠায়ে ঠায়ে জিলা প্ৰশাসনে কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। জিলা প্ৰশাসনে অনুমতি অবিহনে শোভাযাত্ৰা কৰা, ফটকা ফুটুওৱা আৰু লাউড স্পীকাৰ বজোৱাত সাময়িকভাৱে নিষেধাজ্ঞা জাৰি কৰিছে।

তদুপৰি ভোটগ্ৰহণ কেন্দ্ৰৰ ১০০ মিটাৰ ব্যসাৰ্ধৰ ভিতৰত ৫ জন বা ততোধিক লোক সমবেত হোৱা, আতচবাজী জ্বলোৱা, অস্ত্ৰ-শস্ত্ৰ নিয়া, শোভাযাত্ৰা কৰাৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। কাইলৈ ভোটগণনা সম্পূৰ্ণ নোহোৱা পৰ্যন্ত সকলো জিলাতে সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে।

০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে কাইলৈ পুৱা ৯ বজাৰ পৰা সন্ধিয়া চাৰে ৬ বজালৈ অসম বিধানসভা নিৰ্বাচনৰ ভোটগণনা সন্দৰ্ভত **'জনমত-২০২৬'** শীৰ্ষক দিনজোৰা আলোচনা প্ৰচাৰ কৰিব। এই আলোচনাত কেইবাগৰাকী বিশেষজ্ঞই জনসাধাৰণক ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ভোটগণনাৰ সবিশেষ, সমষ্টিভিত্তিত ফলাফল তথা বিশ্লেষণ ধাৰাবাহিকভাৱে আগবঢ়াব। আলোচনাত জ্যেষ্ঠ সাংবাদিক সুশান্ত তালুকদাৰ, ৰাজনৈতিক বিশ্লেষক অপৰূপা বৰঠাকুৰ, নৰকান্ত বৈশ্য, ধৰণীধৰ গোস্বামী আৰু বেদব্ৰত দেৱমিশ্ৰ উপস্থিত থাকিব।

০০০০০

অসম ৰাজ্যিক পৰিবহন নিগমৰ লখিমপুৰ জিলা কৰ্মচাৰী সন্থাৰ এটা দলে আজি স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ দ্বিতীয় ৰাজধানী হিচাপে খ্যাত হাবুঙত গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। জিলা কৰ্মচাৰী সন্থাই হাবুঙত নাহৰ, আম, মধুৰি, কমলা আদিকে ধৰি বিভিন্ন প্ৰজাতিৰ কেইবাশ গছপুলি ৰোপণ কৰে। কৰ্মচাৰীসকলে পৰৱৰ্তী সময়ত এই গছপুলিসমূহৰ চোৰাচিতা কৰিব বুলিও তেওঁলোকে জানিবলৈ দিয়ে।

(বাইট)

০০০০০

আজি বিশ্ব সংবাদ মাধ্যম স্বাধীনতা দিৱস। সংবাদ মাধ্যমৰ স্বাধীনতাৰ মৌলিক অধিকাৰবোৰক স্বীকৃতি দিয়া, সমগ্ৰ বিশ্বতে সংবাদ মাধ্যমৰ স্বাধীনতা মূল্যায়ন কৰা, সংবাদ মাধ্যমৰ স্বাধীনতাত আক্ৰমণ ৰোধ কৰা আৰু কৰ্তব্যৰ সময়ত প্ৰাণ হেৰুওৱা সাংবাদিকসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ উদ্দেশ্যে প্ৰতিবছৰে ৩ মে'ত এই দিৱস উদযাপন কৰি অহা হৈছে। এই বছৰ এই দিৱসৰ মূল বিষয় বস্তু হৈছে ঃ শান্তিৰ ভৱিষ্যত গঢ় দিয়া। বিশ্ব সংবাদ স্বাধীনতা দিৱসে মত প্ৰকাশৰ স্বাধীনতাক পুনৰ দৃঢ় কৰাৰ বাবে আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ সৈতে মানৱ অধিকাৰৰ কৰ্মীসকলৰ ভৱিষ্যত শক্তিশালী কৰাৰ বাবে গুৰুত্বপূৰ্ণ সুযোগ আগবঢ়াইছে।

ইউনোস্ক'ৰ সাধাৰণ সন্মিলনৰ পৰামৰ্শ অনুসৰি ১৯৯৩ চনৰ ডিচেম্বৰত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে সংবাদ মাধ্যম স্বাধীনতা দিৱস পালনৰ বিষয়ে ঘোষণা কৰিছিল। এই দিৱসত সংবাদ স্বাধীনতাৰ মৌলিক নীতিসমূহ উদযাপন কৰা হয়- ই চৰকাৰসমূহক সংবাদ মাধ্যমৰ স্বাধীনতাৰ প্ৰতি থকা দায়বদ্ধতাক সন্মান জনোৱাৰ প্ৰয়োজনীয়তাৰ বিষয়ে সোঁৱৰাই দিয়ে।

অসমতো বিশ্ব সংবাদ মাধ্যম স্বাধীনতা দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। সাংবাদিক পৰাগ কুমাৰ দাস সতীৰ্থ মঞ্চই প্ৰবীন সাংবাদিক, সম্পাদক, চিন্তাশীল লেখক হায়দৰ হুছেইনলৈ এইবাৰৰ পৰাগ কুমাৰ দাস সাংবাদিকতা বঁটা আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। আজি গুৱাহাটীত আয়োজিত এখন সংবাদমেলত মঞ্চই উল্লেখ কৰা অনুসৰি সাংবাদিকতাৰ ক্ষেত্ৰখনৰ লগতে জাতীয় জীৱনলৈ আগবঢ়োৱা অতুলনীয় অৱদান আৰু ৫ দশক ধৰি অব্যাহত ৰখা বৌদ্ধিক সাধনাৰ স্বীকৃতিস্বৰূপে প্ৰবীন সাংবাদিকগৰাকীক এই বঁটাৰ বাবে বাছনি কৰা হৈছে। নলবাৰীৰ বৰিদতৰা গাঁৱত জন্মগ্ৰহণ কৰা হায়দৰ হুছেইন ছাত্ৰ অৱস্থাৰ পৰাই সাংবাদিকতাৰ সৈতে জড়িত হৈ আহিছে। অসমবাণী, সাদিন কাকতৰ পাছত দৈনিক কাকত অসমীয়া প্ৰতিদিনৰ সম্পাদক তথা মুখ্য

সম্পাদক হিচাপে তেওঁ সুদীৰ্ঘ কাল কাৰ্যনিৰ্বাহ কৰিছিল। বিভিন্ন কাকত আলোচনীত চিন্তা উদ্ৰেককাৰী নিৱন্ধ লিখি অহা হায়দৰ হুছেইন এজন মানৱ অধিকাৰ কৰ্মী হিচাপেও পৰিচিত হৈ আহিছে। সতীৰ্থ মঞ্চই জনোৱা অনুসৰি ১৭ মে'ত গুৱাহাটীত এটা অনুষ্ঠানত তেওঁক এই বঁটা প্ৰদান কৰা হ'ব।

০০০০০

আজি বিশ্ব হাস্য দিৱস। হাঁহিৰ যোগেদি বিশ্ব শান্তি, বন্ধুত্ব আৰু স্বাস্থ্যৰ বিষয়ে সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে প্ৰতি বছৰে মে' মাহৰ প্ৰথমটো দেওবাৰে এই দিৱস পালন কৰা হয়। হাঁহিৰ যোগ আন্দোলনৰ জন্মদাতা ড০ মদন কাটাৰিয়াই ১৯৯৮ চনত প্ৰথমে এই দিৱস উদযাপনৰ আৰম্ভণি কৰিছিল। হাঁহিৰ দ্বাৰা মানুহৰ মানসিক চাপ কমোৱা আৰু ইতিবাচক মনোভাৱ বিয়পাই দিয়াৰ লক্ষ্যৰে আজি বিশ্বৰ বিভিন্ন ঠাইত এই দিৱস পালন কৰা হয়। এইবাৰৰ এই দিৱসৰ বিষয় হৈছে— **হাঁহিৰ জৰিয়তে বিশ্ব শান্তি।** অসমতো আজি বিশ্ব হাস্য দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ধেমাজিৰ বিবেকানন্দ যোগাসন আৰু হাস্য কেন্দ্ৰৰ উদ্যোগত আজি বিস্তৃত কাৰ্যসূচীৰে এই দিৱস পালন কৰা হয়। ধেমাজিৰ চ্যুকাফা নগৰত এই দিৱস উপলক্ষে বহুলোক সমবেত হৈ প্ৰাণ খুলি হাঁহি কাৰ্যসূচী পালন কৰে। ইয়াৰ লগতে হাঁহিৰ বাবে সজাগতা সমদল, সজাগতা সভা আৰু হাস্য-ব্যঙ্গ অনুষ্ঠানৰো আয়োজন কৰা হয়।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদত অনুষ্ঠিত প্ৰথমখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে, কলকাতা নাইট ৰাইডাৰ্ছক জয়ৰ বাবে ১৬৬ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ১৯ অভাৰতে আটাইকেইটা উইকেট হেৰুৱাই ১৬৫ ৰান সংগ্ৰহ কৰে। দলৰ হৈ ট্ৰেভিছ হেডে সৰ্বাধিক ৬১ ৰান কৰে। আমালৈ বাতৰি অহা পৰলৈ কলকাতাই ৭ অভাৰত ১ টা উইকেট হেৰুৱাই ৮০ ৰান কৰি খেলি আছে।

প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া আন এখন খেলত গুজৰাট টাইটানছ পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

সমাপ্ত